# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ২১৮/২০২১*

ৰাজ্যৰ ঘাইপথসমূহত যান-বাহনৰ গতিবেগ নিয়ন্ত্ৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

## ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ সৰ্বোচ্চ গতিবেগ সন্দৰ্ভত উপযুক্ত জনসচেতনতা গঢ়ি নুঠা পৰ্যন্ত দ্ৰুতবেগী বাহনৰ পৰা মাছুল সংগ্ৰহ বন্ধ ৰাখিবলৈ পৰিবহন বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

তিনিমাহৰ ভিতৰত ৰাজ্যৰ ঘাইপথসমূহৰ স্পৰ্শকাতৰ এলেকাসমূহত পথ নিৰ্দেশনা ফলক, গতিৰোধক স্থাপনৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু লোক নিৰ্মাণ বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**পথ সজাগতাৰ ওপৰত জনসচেতনতা সৃষ্টিৰ বাবে দুমাহজুৰি এক ব্যাপক প্ৰচাৰ অভিযান হাতত ল'বলৈও পৰিবহন বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ১৬ আগষ্ট ঃ** ৰাজ্যৰ ঘাইপথসমূহত সংঘটিত ক্ৰমবৰ্দ্ধমান পথ দুৰ্ঘটনা আৰু যান-বাহনৰ গতিবেগ নিয়ন্ত্ৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পৰিবহন বিভাগ, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়।

বৈঠকত উপৰোক্ত বিষয় সন্দৰ্ভত বিতং আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে জাৰি কৰা জাননী অনুসৰি ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ সৰ্বোচ্চ গতিবেগ প্ৰতি ঘণ্টাত ১০০ কিঃমিঃ পৰ্যন্ত হোৱাৰ লগতে স্পৰ্শকাতৰ অংশসমূহত প্ৰতি ঘণ্টাত ৪০ কিঃমিঃ ধাৰ্য কৰা সন্দৰ্ভত জনসাধাৰণৰ মাজত উপযুক্ত সচেতনতা গঢ়ি নুঠা পৰ্যন্ত এই গতিবেগ উলংঘা কৰা যান-বাহনৰ পৰা পৰৱৰ্তী কিছু দিনৰ বাবে জৰিমনা সংগ্ৰহ বন্ধ ৰাখিবলৈ পৰিবহন বিভাগক নিৰ্দেশ দিয়ে।

ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহকে ধৰি প্ৰধান পথসমূহত থকা দুৰ্ঘটনাপ্ৰৱণ এলেকাসমূহ চিনাক্ত কৰি সেইসমূহত পৰ্যাপ্তসংখ্যক পথ নিৰ্দেশনা ফলক স্থাপন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ঘাইপথসমূহৰ কাষত থকা শিক্ষানুষ্ঠান, চিকিৎসালয় আদি স্পৰ্শকাতৰ অঞ্চলসমূহ চিনাক্ত কৰি সেই স্থানসমূহতো উপযুক্ত আৰু দৃশ্যমান ৰূপত পথ নিৰ্দেশনা ফলক

স্থাপনৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। এনে স্পৰ্শকাতৰ এলেকাসমূহত উপযুক্ত গতিৰোধক নিৰ্মাণৰ পদক্ষেপ ল'বলৈও তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। স্থানীয় পৰিবহন বিষয়াসকলৰ সৈতে আলোচনা সাপেক্ষে এনে স্পৰ্শকাতৰ স্থানসমূহ চিনাক্তকৰণৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। ঘাইপথ আৰু ছাৰ্ভিচ ৰোড তথা উপপথসমূহৰ সংযোগস্থলীসমূহতো এনেধৰণৰ নিৰ্দেশনা ফলক তথা গতিৰোধক স্থাপন কৰিবলৈ তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক কোৱাৰ লগতে এনেধৰণৰ আন্তঃগাঁথনিগত কাম-কাজসমূহ অহা ৩ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে পথ সজাগতাৰ ওপৰত জনসচেতনতা সৃষ্টিৰ বাবে পৰৱৰ্তী দুমাহজুৰি অবিৰতভাৱে এক ব্যাপক প্ৰচাৰ অভিযান হাতত ল'বলৈও পৰিবহন বিভাগক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ৰাইজৰ জ্ঞাতাৰ্থে ছপা আৰু বৈদ্যুতিন মাধ্যমযোগে মনোগ্ৰাহী বিজ্ঞাপন প্ৰচাৰৰ ব্যৱস্থা কৰাৰ লগতে এই অভিযানত ক্ৰীড়া আৰু সাংস্কৃতিক জগতৰ জনপ্ৰিয় তাৰকাসকলকো জড়িতকৰণৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ সৰ্বোচ্চ গতিবেগ সন্দৰ্ভত ২০১৮ চনৰ ৬ এপ্ৰিল তাৰিখে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে জাৰি কৰা জাননী সন্দৰ্ভতো সংবাদ মাধ্যমযোগে বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত পৰিবহন বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা আৰু পৰিবহন বিভাগ, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

*প্ৰঃকুঃবঃ*
১৬-৮-২০২১

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in